بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ৩১ জানুৱাৰীত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - আজি মই যিজন চাহবীৰ বিষয়ে মই বৰ্ণনা কৰিম তেখেতৰ নাম হল হজৰত আবু তালহা (ৰাঃ)। হজৰত আবু তালহা (ৰাঃ) ৰ আচল নাম আছিল জায়েদ। খজৰজৰ কবিলাৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল আৰু এই কবিলাৰ নেতা (চৰদাৰ) আছিল। হজৰত জায়েদ আবু তালহা নামেৰে বেছি পৰিচিত আছিল। হজৰত আবু তালহা (ৰাঃ)ৰ বয়াতে উকবা দ্বিতীয়ত আঁহজৰত (ছাঃ)ৰ হাতত বয়াত কৰাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত আবু তালহা (ৰাঃ) য়ে সকলো যুদ্ধতেই আঁহজৰত (ছাঃ)ৰ লগত অংশ গ্ৰহন কৰিছিল। হজৰত আবু তালহাৰ গাৰ ৰং আছিল গম বৰনীয়া আৰু মানুহজন বেছি ওখ বা চাপৰও নাছিল। এখেত (ৰাঃ)য়ে কেতিয়াও দাড়ি চুলিত ৰং হনা নাছিল। হজৰত আনিছ (ৰাঃ) হজৰত আবু তালহাৰ পত্নীৰ প্ৰথম স্বামীৰ ঔৰসত জন্ম লোৱা পুতেক আছিল। হজৰত উম্মে ছালিম (ৰাঃ)ৰ প্ৰথম স্বামীৰ নাম আছিল মালিক বিন নজিৰ। তেখেতৰ মৃত্যুৰ পিছত হজৰত উম্মে ছালিম (ৰাঃ)ৰ হজৰত আবু তালহাৰ সৈতে বিয়া হৈছিল আৰু এখেত (ৰাঃ)ৰ ঔৰসত আব্দুল্লাহ আৰু উমিৰ এই দুই পুত্ৰ সন্তানৰ জন্ম হৈছিল। হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু তালহা (ৰাঃ)য়ে হজৰত উম্মে ছালিম (ৰাঃ)ক বিবাহৰ প্ৰস্তাৱ দিছিল। তেতিয়া উম্মে ছালিমে কৈছিল যে আল্লাহৰ কছম ! মই আপোনাৰ দৰে ব্যাক্তিক বিবাহ কৰিবলৈ অস্বীকাৰ নকৰিলোহেতেঁন কিন্তু আপুনি হল মুশৰিক (পৌত্তলিক) আৰু মই হলো মুছলমান। গতিকে মোৰ বাবে এই বিযা জায়েজ নহয়। আপুনি যদি ইছলাম গ্ৰহন কৰে তেন্তে সেয়াই হব মোৰ বাবে মোহৰনা (এক মোহৰ) ইয়াৰ অতিৰিক্ত মই একো নিবিচাৰো। ইয়াৰ পিছত হজৰত আবু তালহা (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰিছিল আৰু এয়াই তাইৰ নিমিত্তে মোহৰনা স্বৰূপ হৈছিল। হজৰত ছাবিত (ৰাঃ)য়ে কৈছে যে মই আজি লৈকে ইছলামত কোনো মহিলা সম্পৰ্কে শুনা নাই যে তাইৰ মোহৰনা এনেকুৱা মৰ্যাদাৰ অধীকাৰী হৈছে যেনেকৈ উম্মে ছালিম (ৰাঃ)ৰ মোহৰানা মৰ্যাদা প্ৰাপ্ত হৈছে।

হজৰত আবু তালহা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী কৰিম (ছাঃ)য়ে বদৰৰ যুদ্ধ প্ৰান্তত কুৰাইছ সকলৰ ২৪ জন চৰদাৰৰ মৃতদেহ এটা অপবিত্ৰ কুৱাত পেলাই দিয়া হৈছিল। তেখেত (ছাঃ)য়ে যেতিয়া কোনো সম্প্ৰদায়ৰ ওপৰত বিজয় প্ৰাপ্ত হৈছিল তেতিয়া সেই যুদ্ধ ময়দানত তিনিটা ৰাতি অৱস্থান কৰিছিল। যেতিয়া তেখেত (ছাঃ)য়ে বদৰৰ ময়দানত অৱস্থান কৰাৰ তিনিদিন হৈছিল তেতিয়া তাৰ পৰা ওলটি ৰওয়ানা হৈছিল আৰু তেখেত (ছাঃ)ৰ চাহিবা সকলেও লগতে ওলটিছিল। তেতিয়া চাহাবা সকলে কৈছিল যে আমি ভাৱিছো যে আপুনি কিবা উদ্দেশ্য লৈ গুচি আহিলে। আঁহজৰত (ছাঃ)য়ে সেই ২৪ মৃতদেহ পেলাই থোৱা নাদটোৰ ওচৰত আহি থিয় হৈছিল, নাদটো ওপৰৰ পৰা বন্ধ কৰি থোৱা আছিল। তেখেত (ছাঃ)য়ে সেই মৃত চৰদাৰ আৰু তেওঁলোকৰ পিতৃ সকলৰ নামধৰি ধৰি মাতিবলৈ লৈছিল যে হে অমুক, অমুকৰ পুত্ৰ কিয় ! এতিয়া তোমালোকে নিশ্চয় সুখী হবা এই কথাত যে তোমালোকে সঁচাকৈয়ে সেয়া পাইছা , যি প্ৰতিশ্ৰুতি তোমালোকক তোমালোকৰ পালন কৰ্তাই দিছিল আৰু সঁচাকৈয়ে সেয়া পাইছো, যি প্ৰতিশ্ৰুতি আমাৰ পালন কৰ্তাই আমাক দিছিল, হায় ! তোমালোকে যদি আল্লাহ আৰু আল্লাহৰ ৰছুলৰ আনুগত্য কৰিলাহেতেঁন ! হজৰত আবু তালহা (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে - ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি এই মৃত ব্যাক্তি সকলৰ লগত কি কথা পাতি আছে, যাৰ মাজত এতিয়া প্ৰাণ নাই। ৰছুলুল্লাহ (ছাঃ)য়ে উত্তৰ দিছিল - সেই সত্তাৰ কছম ! যাৰ হাতৰ মুঠিত মহম্মদ (ছাঃ) প্ৰাণ ! তোমালোকে তেওঁলোকতকৈ বেছি মই কোৱা কথাবোৰ শুনা নাই। অৰ্থ্যাৎ এতিয়া এই কথাবোৰ আল্লাহ তায়ালা আগততে তেওঁলোকক শুনাই আছে যে তোমালোকৰ কেনে বেয়া পৰিণত হল।

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া অহুদৰ যুদ্ধ সংগঠিত হৈছিল, এটা সময়ত মুছলমান সকলে পৰাজিত অৱস্থাত ছেদেলি ভেদেলি হৈ পৰিছিল আৰু প্ৰায় সকলোৱে নবী কৰিম (ছাঃ)ক এৰি পৃথক পৰিছিল কিন্তু হজৰত আবু তালহা

(ৰাঃ)য়ে নবী (ছাঃ)ৰ সন্মুখত থিয় হৈ আছিল। হজৰত আবু তালহা (ৰাঃ) সুদক্ষ ধৰ্ণুবিদ আছিল। সেই দিনা এখেত (ৰাঃ)য়ে দুই অথবা তিনিখন ধনু ভাঙি পেলাইছিল আৰু যদি কোনোবাই তেখেত (ৰাঃ)ৰ কাষেদি তীৰদানি লৈ পাৰ হৈ গৈছিল আৰু তেতিয়া আঁহজৰত (ছাঃ)য়ে সেইজনক আদেশ দিছিল যে আবু তালহাক তীৰ দিয়া। হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী (ছাঃ)য়ে মাত দিছিল যে - মোৰ মা দেউতা আপোনাত উচ্চৰ্গিছো। আপুনি মূৰ নাদাঙিব, হঠাৎ তেওঁলোকৰ তীৰ আহি আপোনাক আঘাত হানিব পাৰে। মোৰ বকু আপোনাৰ বকুৰ পোনে পোনে আগত আছে। হজৰত আবু তালহা (ৰাঃ) সুদক্ষ তীৰবাজ আছিল যেতিয়া তেখেত (ৰাঃ)য়ে তীৰ চলাইছিল তেতিয়া নবী (ছাঃ)য়ে দেউ দি চাইছিল যে তেখেতৰ যে তেখেতৰ তীৰ কত কত গৈ পৰে। (ছহি বোখাৰী) ।

অহুদৰ যুদ্ধত হজৰত আবু তালহা (ৰাঃ)য়ে এই কবিতা পাঠ কৰাৰ উল্লেখ পোৱা যায় "ওয়াজহি লাওয়াজহিকাল বিকা ওয়া নাফছিলি নাফছিকাল ফিদা" মোৰ চেহেৰা আপোনাৰ চেহেৰা ৰক্ষাৰ্থে আৰু মোৰ প্ৰাণ আপোনাৰ প্ৰাণ ৰক্ষাৰ্থে নিয়োজিত (কুৰাবান)

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া মদিনালৈ আহিছিল তেতিয়া তেখেত (ছাঃ)ৰ কোনো খাদিম (সেৱক) নাছিল। হজৰত আবু তালহা (ৰাঃ)য়ে মোৰ হাতত ধৰি লৈ গৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হৈছিল আৰু আবেদন কৰিছিল যে - ইয়া ৰছুলুল্লাহ (ছাঃ) আনিছ বৰ শান্ত, নম্ৰ লৰা, লৰা, এওঁ আপোনাৰ সেৱা কৰিব। হজৰত আনিছ (ৰাঃ)য়ে কৈছে যে - মই ভ্ৰমন কালতও তেখেত (ছাঃ)ৰ খিদমত কৰিছো আৰু অৱস্থান কৰা সময়তও সেৱা আগবঢ়াইছো।

হজৰত আনিছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই নবী কৰিম (ছাঃ)ৰ লগত আছিলো যেতিয়া তেখেত (ছাঃ)য়ে মদিনা আৰু মক্কাৰ মাজ বাটৰ এখন ঠাই আছফানৰ পৰা ওভতিছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ উটনীৰ ওপৰত আৰোহীত আছিল। তেখেত (ছাঃ)য়ে হজৰত ছফিয়া বিনতে হাই (ৰাঃ)ক পিছত বহাই লৈছিল। গৈ থকা সময়তে উটনীজনীয়ে উজুটি খোৱাত দুয়ো উটনীৰ পিঠিৰ পৰা পৰি গৈছিল। হজৰত আবু তালহা (ৰাঃ)য়ে এয়া দেখা পাই নিজৰ উটৰ পৰা নামি আহিছিল আৰু কৈছিল যে মহিলাৰ আগতে খবৰ লোৱা। হজৰত আবু তালহা (ৰাঃ)য়ে উক্ত বাহন ঠিক ঠাক কৰি দিয়াৰ পিছত আকৌ দুয়ো আৰোহন কৰি গৈছিল। মই ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত থাকিছিলো আৰু মদিনা পাইছিলোগৈ।

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে খয়বৰৰ আক্ৰমন কৰিছিল মই খয়বৰৰ ওচৰ পাই ফজৰৰ নামাজ পঢ়িছিলো কিন্তু তেতিয়াও এন্ধাৰ আতঁৰি যোৱা নাছিল, নবী (ছাঃ)য়ে আৰোহিত আছিল আৰু হজৰত আবু তালহা (ৰাঃ)ও আৰোহন কৰি গৈছিল, মই হজৰত আবু তালহা (ৰাঃ)ৰ পিছত বহি গৈছিলো।

হজৰত আনিছ বিন মালিকৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল - হুনাইনৰ যুদ্ধৰ দিনা যিজনে কোনো কাফিৰক হত্যা কৰিব তেওঁ সেই মৃত কাফিৰে এৰি যোৱা ধন-মাল সা-সৰঞ্জাম লাভ কৰিব। সেই দিনা আবু তালহা (ৰাঃ)য়ে ২০ জন কাফিৰক বধ কৰিছিল আৰু তেওঁলোকে এৰি যোৱা ধন-মাল লাভ কৰিছিল। হজৰত আবু তালহা (ৰাঃ)য়ে দেখিছিল যে হজৰত উম্মে ছালিমৰ ওচৰত (হাতত)এটা খঞ্জৰ (ধাৰাল অস্ত্ৰ)। তেতিয়া এখেত (ৰাঃ)য়ে সুধিছিল হে উম্মে ছালিম এইটো কিয় লৈছা ? তেতিয়া উম্মে ছালিমে কৈছিল - আল্লাহৰ কছম ! মোৰ নিয়ত হল যে যদি কোনো কাফিৰ মোৰ ওচৰলৈ আহে তেন্তে মই এই খজৰেৰে তাৰ পেট ফালি দিম। হজৰত আবু তালহা (ৰাঃ)য়ে এই কথাখিনি ৰছুলুল্লাহ (ছাঃ)ক শুনাইছিল।

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে নবী (ছাঃ)য়ে কৈছিল যে সৈন্য সামন্তৰ মাজত অকলে একমাত্ৰ আবু তালহা আছে, যাৰ শ্বৰ ধ্বনি এটা জমাততকৈও বেছি গধূৰ আছিল। কোনো ৰেৱায়েতত এশ অথবা এহেজাৰ মানুহৰ কথাও উল্লেখ আছে। অৰ্থ্যাৎ এখেতৰ কণ্ঠস্বৰ বহুত উচ্চ আছিল। হজৰত আবু তালহা (ৰাঃ) ৩৪ হিজৰত মদিনাত মৃত্যুবৰণ কৰিছিল। হজৰত উচমান (ৰাঃ)য়ে এখেত (ৰাঃ)ৰ বয়স হৈছিল ৭০ বছৰ। আনহাতে বচৰাৰ বাসিন্দা সকলৰ মতে এক সমুদ্ৰ যাত্ৰাত হজৰত আবু তালহা (ৰাঃ)ৰ মৃত্যু হৈছিল আৰু এখন বালিময় দ্বীপত দফন কৰা হৈছিল।

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত আবু তালহা (ৰাঃ)য়ে নবী (ছাঃ)ৰ জীৱন কালত যুদ্ধৰ বাবে নফল ৰোজা নাৰাখিছিল, যাতে শাৰীৰিক শক্তি কমি নাযায়। আৰু বৰ্ণনা কৰিছে যে যেতিয়া নবী (ছাঃ)ৰ মৃত্যু হৈছিল তেতিয়াৰ পৰা ঈদুল আযহাৰ দিন দুটাৰ বাদে কেতিয়াও হজৰত আবু তালহা (ৰাঃ)ক বেৰোজা দেখা নাই। তেতিয়াৰেই পৰাই হজৰত হজৰত আবু তালহা (ৰাঃ)য়ে নিয়মিত ৰোজা (ব্ৰত) পালন কৰিছিল।

হজৰত আবু তালহা (ৰাঃ)ৰ অতিথি আলপৈচানৰ এটা ঘটনা এনেদৰে উল্লেখ আছে। হজৰত আবু হুৰাইৰা (ৰাঃ) বৰ্ণনা কৰিছে যে এদিন এজন লোক আঁহজৰত (ছাঃ)ৰ ওচৰত আহিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে এই অতিথি জনক কোনে লগত লৈ ৰাখিব ? তেতিয়া হজৰত আবু তালহা (ৰাঃ)য়ে অতিথিজনক নিজৰ ঘৰলৈ লৈ গৈছিল আৰু পত্নীক গৈছিল যে ৰছুলুল্লাহ (ছাঃ)ৰ অতিথিক ভালদৰে আলপৈচান কৰা। তেতিয়া তাই কৈছিল যে আমাৰ ওচৰত এতিয়া দেখোন ইমানখিনি খাদ্য আছে, যিখিনি লৰা-ছোৱালীৰ বাবে কোনোমতে হব। হজৰত আবু তালহা (ৰাঃ)য়ে কৈছিল যে লৰা-ছোৱালীক সোধা পেটেৰেই সোধাই দিয়া। সেইমতেই তাই আহাৰ আদি তৈয়াৰ কৰি চাকি জ্বলাইছিল, নিজৰ লৰা-ছোৱালীক টোপনী নিয়াইছিল। ইয়াৰ পিছত তাই উঠি আহি চাকি ভালকৈ ৰখাঁৰ চেষ্টা কৰোঁতে এনেয়ে কৌশলেৰে নুমাই দিছিল। ইতিমধ্য অতিথিজনক খাবলৈ দিয়া হৈছিল আৰু এখেত দুয়োজনে এনেকুৱা দেখুৱাইছিল যে এন্ধাৰত এওঁলোকও আহাৰ কৰি আছে। কিন্তু আচলতে এখেত দুয়োজনে সোধা পেটেৰে ৰাতি পাৰ কৰিছিল। যেতিয়া ৰাতি পুৱাইছিল হজৰত আবু তালহা (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ উপস্থিত হৈছিল। তেখেত (ছাঃ)য়ে কৈছিল আজি ৰাতি আল্লাহ তোমালোকৰ অতিথি সংকাৰত হাহিঁছে অৰ্থ্যাৎ তোমালোকে দুজনৰ এই কামত আল্লাহ বৰ সন্তুষ্ট হৈছে আৰু অহি অৱতীৰ্ণ কৰিছে “ ওয়া ইউছিৰুনা আলা আনফুছিহিম ওয়া লাও কানা বিহিম খাছাছাহ , ওয়া মাইউকা শ্বোহহা নাফছিহি ফাউলাইকা হুমুল মুফলিহুন। আৰু তেওঁলোকে নিজৰ প্ৰাণৰ ওপৰত আনক প্ৰাধন্য দিছে, এয়া সত্বেও যে তেওঁলোকৰ নিজৰে বৰ অভাৱ আছিল। গতিকে প্ৰাণৰ চাহিদাৰ পৰা দুৰতে থাকে তেওঁৰেই হল সেই লোক, যিয়ে কৃতকাৰ্যতা লাভ কৰিব।

হজৰত আনিছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে- ৰছুলুল্লাহ (ছাঃ)য়ে এবাৰ যেতিয়া নিজৰ মূৰৰ চুলি খুৱাইছিল তেতিয়া হজৰত আবু তালহা (ৰাঃ)য়ে প্ৰথমে তেখেত (ছাঃ)ৰ কাটি পেলোৱা একোছা চুলি লৈ লৈছিল। হজৰত আনিছ বিন মালিক বৰ্ণনা কৰিছে যে হজৰত আবু তালহা মদিনাত সকলো আনছাৰতকৈ বেছি খেজুৰ বাগানৰ মালিক আছিল। ইয়াৰে মাজত বয়ৰহা বাগানখন এখেত (ৰাঃ)ৰ ওচৰত বেছি প্ৰিয় আছিল। এই বাগানখন মছজিদৰ সন্মুখত অৱস্থিত আছিল আৰু নবী (ছাঃ)য়ে এই বাগানখনত মাজে সময়ে আহিছিল আৰু ইয়াত থকা স্বচ্চ পানী পান কৰিছিল। হজৰত আনিছ (ৰাঃ)য়ে কৈছিল যে যেতিয়া এই আয়াত অৱতীৰ্ণ হৈছিল - “লান তানালুল বিৰৰা হাত্তা তুনফিকু মিন্মা তুহিববুন” অৰ্থ্যাৎ তোমালোকে কেতিয়াও নেকি অৰ্জন কৰিব নোৱাৰা, ইমানেই যে তোমালোকে সেই বস্তু খৰচ নকৰা যাক তুমি ভাল পোৱা। এই আয়াত শুনি হজৰত আবু তালহা (ৰাঃ)য়ে থিয় হৈ কৈছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) মোৰ সম্পত্তিৰ মাজত আটাইতকৈ প্ৰিয় হল মোৰ বায়ৰহা বাগান, সেয়া মই এতিয়া ছদকা কৰিলোঁ। মই আশা কৰোঁ যে আল্লাহৰ ওচৰত এয়া গ্ৰহন যোগ্য নেকি হব আৰু এয়া এটা সঞ্চিত ধন হিচাপে থাকিব। আপুনি এয়া আল্লাহৰ ইচ্ছানুযায়ী খৰচ কৰিব। তেখেত (ছাঃ)য়ে কৈছিল ধন্যবাদ। এয়া বৰ কল্যানযুক্ত সম্পত্তি আৰু চিৰস্থায়ী ধন। তেখেত (ছাঃ)য়ে কৈছিল যে তুমি যি কৈছা মই সেয়া শুনিছো। মই এয়া উচিত বুলি ভাৱো যে তুমি এয়া নিজৰ আত্মীয় সকলৰ মাজত বিতৰণ কৰি দিয়া। হজৰত আবু তালহা (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ আদেশ অনুযায়ী বায়ৰহা বাগানখন নিজৰ আত্মীয় আৰু খুৰাৰ লৰাহঁতৰ মাজত ভগাই দিছিল। হজৰত আবু তালহা (ৰাঃ)য়ে এই সৌভাগ্য লাভ কৰিছিল যে তেখেতে আঁহজৰত (ছাঃ)ৰ এজনী জীয়েকৰ লাচ মোবাৰক কবৰত শায়িত কৰা নিমিত্তে কবৰত নমাৰ আঁহজৰত (ছাঃ)ৰ পৰা আদেশ পাইছিল আৰু চাহাব জাদিৰ লাচ মোবাৰক কবৰত নমাইছিল।

হজৰত আনিছ বিন মালিক বৰ্ণনা কৰিছে যে যেতিয়া আব্দুল্লাহ বিন আবু তালহা আনছাৰী (ৰাঃ)ৰ জন্ম হৈছিল তেতিয়া মই তাক কোলাত উঠাই লৈ ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈছিলোঁ। ৰছুলুল্লাহ (ছাঃ)য়ে তেতিয়া এখন দীঘল ভৰিলৈকে ওলমি থকা চোলা পিন্ধি আছিল আৰু নিজৰ উটক লগাই আছিল। তেখেত (ছাঃ)য়ে মোক কৈছিল তোমাৰ ওচৰত খেজুৰ আছেনে ? মই কৈছিলো হয় আছে আৰু কেইটামান খেজুৰ হুজুৰ (ছাঃ)ক দিছিলো। তেখেত (ছাঃ)য়ে সেই খেজুৰ নিজৰ মুখত দি ভালদৰে চোবাই আনি কেচুৱাটিৰ মুখ মেলি জিভাত দিছিল। কেচুৱাটিয়ে সেয়া চুহিবলৈ লৈছিল। তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে আনছাৰী সকলে খেজুৰ ভাল পায়।অৰ্থ্যাৎ কেচুৱাৰও খেজুৰ পছন্দ হৈছে আৰু তেখেত (ছাঃ)য়ে এই কেচুৱাৰ নাম ৰাখিছিল আব্দুল্লাহ।

হজৰত মুছলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হাদীছত এজনী চাহাবিয়াৰ বিষয়ে এটা কাহিনীৰ উল্লেখ আছে। (সেইজনী হল উম্মে ছালিম) এবাৰ ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আবু তালহা (ৰাঃ)ক কিবা ইছলামী খিদমতৰ নিমিত্তে বাহিৰলৈ পঠাই

দিছিল। এখেত (ৰাঃ)ৰ সন্তান এজনৰ বেমাৰ আছিল, চাহাবীজনে ঘুৰি অহাৰ আগতেই সেই বেমাৰী লৰাজনৰ মৃত্যু হৈছিল। মাকে নিজৰ মৃত সন্তানক গোচল কৰোৱাই, সুগন্ধি লগাই কাপোৰেৰে ঢাকি ৰাখি বৰ ধৈয্যে সহকাৰে স্বামীয়ে অহালৈকে অপেক্ষা কৰি আছিল। এখেত (ৰাঃ)য়ে ঘৰত আহি সুধিছিল যে লৰাজনৰ কি অৱস্থা হৈ আছে। উক্ত চাহাবীয়া উত্তৰত কৈছিল সম্পৰ্ণ আৰামত আছে। তেখেত (ৰাঃ)য়ে আহাৰ আদি খাইছিল, পিছত পত্নী সম্পৰ্কও পূৰ্ণ কৰিছিল। পিছত তেখেত (ৰাঃ)ৰ পত্নীয়ে কৈছিল যে - মই আপোনাক সুধিব বিচাৰোঁ। তেখেতে সুধিছিল কি কথা? পত্নীয়ে কৈছিল যদি কোনোবাই কোনোবাজনৰ ওচৰত কিবা আমানত ৰাখে আৰু কিছুমান পিছত সেয়া ঘুৰাই বিচাৰে তেন্তে সেই বস্তু তাক ঘুৰাই দিব লাগিবনে নালাগিব। এখেত (ৰাঃ)য়ে উত্তৰ দিছিল যে তেওঁ কোনো বুৰ্বক (বোধহীন) হব, যিয়ে কাৰোবাৰ আমানত ঘুৰাই নিদিয়ে। পত্নীয়ে কৈছিল - মুঠতে তাৰ অলপ আফছোচ নিশ্চয় হব যে আমানত ঘুৰাই দি আছো। তেখেত (ৰাঃ)য়ে উত্তৰ দিছিল ইয়াতনো কিহৰ আফছোচ , যিহেতু তাৰ নিজৰ বস্তু নহয় গতিকে ঘুৰাই দিয়াত কিহৰ আপত্তি হব পাৰে। পত্নীয়ে কৈছিল তেন্তে ভাল কথা, আমাৰ সন্তান, যি খোদা তায়ালাৰ এটা আমানত আছিল, তাক আল্লাহ তায়লা আমাৰ পৰা ঘুৰাই লৈ লৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এনেকুৱা ধৈৰ্য্য- সেই সময়ৰ মহিলা সকলৰ মাজত পোৱা গৈছিল। গতিকে প্ৰাণ বিসৰ্জন দিয়া মোমিন সকলৰ নিমিত্তে একো ডাঙৰ কথা নহয় বৰং সাধাৰণ কথাহে। আকৌ আঁহজৰত (ছাঃ)ৰ দোৱাৰ বৰকতত আল্লাহ তায়ালা হজৰত আবু তালহাক ৯ জন পুত্ৰ সন্তানৰ পিতৃ বনাইছিল আৰু এওঁলোক সকলোৰে কোৰআনৰ কাৰী আছিল।

হজৰত আনিছ বিন মালিক (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই হজৰত আবু তালহা (ৰাঃ), হজৰত আবু উবায়দা বিন আলজৰাহ আৰু হজৰত আবি বিন কাআবক খেজুৰৰ মদিৰা পান কৰাই আছিলো। এনেতে এজন লোকে আহি খবৰ দিছিল যে মদিৰা পান হাৰাম কৰি দিয়া হৈছে। হজৰত আবু তালহা (ৰাঃ)য়ে সেই ব্যাক্তিৰ পৰা খবৰ শুনোতেই কৈছিল যে - হে আনিছ সেই মদৰ পাত্ৰবোৰ ভাঙি পেলোৱা। হজৰত আনিছে কৈছে যে এটা পাথৰেৰে পাত্ৰৰ তলিত আঘাত কৰি পাত্ৰবোৰ ভাঙি পেলোৱা হৈছিল।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে এতিয়া এজন মৰহুমৰ বিষয়ে চমু আলোচনা এটা উল্লেখ কৰা হব। নমাজে জুমাৰ পিছত উক্ত মৰহুমৰ নমাজে জানাজা পঢ়া হব। উক্ত মৰহুমৰ নাম হল মকৰম বাবু মহম্মদ লতিফ চাহাব অমৰিতসৰী ইবনে হজৰত মিয়া নুৰ মহম্মদ চাহাব (চাহাবী হজৰত মছিহ মাওউদ আঃ) ২০২০ চনৰ ২৬ জানুৱাৰীৰ দিনা ৭০ বছৰ বয়সত ৰাবোয়াত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এখেতে ছিলছিলাৰ এজন প্ৰখ্যাত মুবাল্লিগ মোহতৰম মৌলনা মহম্মদ ছাদিক অমৰিতসৰী চাহাবৰ ভাইটি আছিল। বাবু লতিফ চাহাবৰ পিতৃয়ে ডেকা কালতে বাবু লতিফ চাহাবক হজৰত খলিফাতুল মছিহ ছানিৰ আনি ওয়াকফে কৰিছিল। এখেতে ৬২ বছৰ কাল জমাতৰ খিদমত আগবঢ়াই থৈ গেছে। ইয়াৰ মাজত প্ৰায় ৫৩ বছৰ কাল দফতৰৰ প্ৰাইভেট ছেক্ৰেটাৰী হিচাপে খিদমত প্ৰদান কৰিছিল। পাকিস্থানলৈ যোৱাৰ পিছতো কাদিয়ানৰ নিৰাপত্তা মৰকজত কাম কৰাৰ তৌফিক লাভ কৰিছিল। এখেতে পাচঁজনী জীয়েক আৰু এজন পুত্ৰ সন্তানৰ পিতৃ আছিল। ইয়াৰে এজনী জীয়েক এখেতৰ মৃত্যুৰ কেইদিন মান আগত মৃত্যুবৰণ কৰিছে।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে - মই যেতিয়া ৰাবোয়াত আছিলো দেখিছো এখেতে বৰ পৰিশ্ৰম কৰি অফিচলৈ আহিছিল। মৰহুমে কেতিয়াও ঘৰলৈ যোৱা বা অফিচৰ সময় শেষ হোৱালৈ ব্যাস্ত নাছিল। কাম কৰাৰ বৰ হেপাঁহ আছিল। এটা বৈশিষ্ট এয়া আছিল যে তেখেতে কেতিয়াও কোনো এটা জটিল বিষয়লৈ কাৰো লগত আলোচনা কৰা নাছিল। গোপন কথা সদায় গোপন ৰাখিছিল। ১৯৭৪ চনত যেতিয়া হজৰত খলিফাতুল মছিহ ছালিছে ইছলামাবাদ এছেম্ভলিত গৈছিল মৰহুমে তেতিয়া তেখেতৰ প্ৰাইভেট ছেক্ৰটাৰী আছিল। অফিচিয়েল কামৰ পিছতো এখেতে বেলেগক সহায় সহযোগ কৰিছিল। কৰ্মী সকলৰ লগত মিলি বৰ্তন আদিও ধুই দিছিল। এখেত বৰ নিঃস্বাৰ্থ মানৰ আছিল। আল্লাহ তায়ালা মৰহুমৰ মৰ্যাদা উন্নীত কৰক। ক্ষমাৰ দুৱাৰ উন্মোচন কৰক। তেখেতৰ সতি-সন্তানক নেকি অৰ্জনৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 31 JAN. 2020**

**(BOOK POST PARINTED MATTER)**

**To** ------------------------------------------------------------------------

------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**